**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 19-03-2025 **Time :** 1205 Hrs.

***Assamese Midday Bulletin***

ব্ৰহ্মপুত্ৰৰ ওপৰত মাজুলী আৰু যোৰহাট সংযোগী দুটা লেনযুক্ত দলং নিৰ্মাণৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰালয়ে সংশোধিত আনুমানিক ব্যয়ত অনুমোদন জনাইছে। এই অনুসৰি দলংখনৰ নিৰ্মাণ সম্পূৰ্ণ কৰাৰ বাবে এহেজাৰ ১৯ কোটি ১৬ লাখ ৫৫ হাজাৰ ১৫ টকাৰ সংশোধিত ব্যয় নিৰ্ধাৰণ কৰা হৈছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে এই কথা সদৰি কৰে। উল্লেখযোগ্য যে পূৰ্বে এই দলংখনৰ নিৰ্মাণ ব্যয় ৯২৫ কোটি ৪৭ লাখ টকা ধাৰ্য কৰা হৈছিল। কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰালয়ৰ সচিবৰ অধ্যক্ষতাত গঠিত ব্যয় বিত্ত সমিতিৰ যোৱা ৬ মাৰ্চত অনুষ্ঠিত বৈঠকত এই সংশোধিত ব্যয়ত অনুমোদন জনোৱা হয়। ২০১৬ চনতে এই দলংখনৰ কথা ঘোষণা কৰা হৈছিল যদিও বিত্তীয় অনুমোদন আৰু অন্যান্য প্ৰশাসনিক কাৰণত দলংখন নিৰ্মাণত বিলম্ব হৈছিল। মুখ্যমন্ত্ৰী ড° শৰ্মাই ২০২১ চনত দলংখনৰ আধাৰশিলা স্থাপন কৰিছিল যদিও মূল নিৰ্মাণকাৰী সংস্থাটোৱে ৩২ শতাংশ কাম কৰি এৰি যোৱাৰ বাবে যোৱা বছৰৰ ছেপ্তেম্বৰৰ পৰা দলংখনৰ নিৰ্মাণকাৰ্য বন্ধ হৈ আছে। চৰকাৰে নিৰ্মাণকাৰী সংস্থাটোক আনুষ্ঠানিকভাৱে অব্যাহতি দিয়াৰ পাছত পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰালয়ৰ অনুমোদনমৰ্মে শীঘ্ৰেই নতুনকৈ নিবিদা প্ৰক্ৰিয়া আৰম্ভ কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে ইতিমধ্যে প্ৰকাশ কৰিছে।

০০০০০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি কামৰূপ জিলাৰ পলাশবাৰীৰ ৰামপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা প্ৰধানমন্ত্ৰী আবাস যোজনা গ্ৰামীণৰ অধীনত ৩ লাখ ৮৮ হাজাৰ ৩৫৮ গৰাকী হিতাধিকাৰীলৈ গৃহ অনুমোদন পত্ৰ প্ৰদানৰ কাৰ্যসূচী মুকলি কৰে। অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ লগতে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস উপস্থিত থাকে। বিধানসভা সমষ্টি অনুসৰি গৃহ অনুমোদন পত্ৰ প্ৰদানৰ অনুষ্ঠানত ৰাজ্য চৰকাৰৰ মন্ত্ৰী আৰু বিধায়কসকলে বিভিন্ন স্থানত এই কাৰ্যসূচীত অংশগ্ৰহণ কৰে। অৱশ্যে আদৰ্শ নিৰ্বাচনী আচৰণবিধি বলৱৎ হৈ থকাৰ বাবে বকো-ছয়গাঁও সমষ্টিত এই কাৰ্যসূচী অনুষ্ঠিত নহয়।

০০০০০০০০০

নগাঁও চহৰৰ নেহৰুবালিৰ ভক্তিস্থলত কালিৰে পৰা তিনিদিনীয়াকৈ ত্ৰয়োদশ বাৰ্ষিক নগাঁও ভাওনা সমাৰোহ অনুষ্ঠিত হৈছে। কালি পুৱা ১৪খন ধৰ্মধ্বজা উত্তোলনেৰে সমাৰোহৰ শুভাৰম্ভ কৰা হয়। ইয়াৰ পাছতে শ্ৰদ্ধাঞ্জলি অনুষ্ঠান, গুৰু আসন প্ৰতিষ্ঠা আৰু নাম প্ৰসংগৰ আয়োজন কৰা হয়। স্থানীয় ৰাইজৰ নাম যজ্ঞৰ পাছত প্ৰদৰ্শনীৰ দ্বাৰ মুকলি কৰা হয়। আজি পুৱা নাম প্ৰসংগ, দিহানাম প্ৰতিযোগিতা, সন্ধিয়া বৰগীত পৰিৱেশন আৰু ভোৰতাল নৃত্যৰ পাছত ৰামায়ণ-মহাভাৰত কাহিনীৰ আধাৰত ৯ খন খোলাত অংকীয়া ভাওনা প্ৰদৰ্শন কৰা হ'ব। শ্ৰীমন্ত শংকৰদেৱ সংঘৰ পদাধিকাৰ ভৱেন্দ্ৰ নাথ ডেকাই ভাওনা উদ্বোধন কৰিব। কাইলৈ কেলি গোপাল নাট প্ৰদৰ্শনেৰে ভাওনা সমাৰোহৰ সামৰণি পৰিব।

শিৱসাগৰ জিলা আমগুৰিৰ পেঙেৰাঘাটৰ বদলা পদ্মআতা সমন্বয় ক্ষেত্ৰত কাইলৈৰ পৰা ৩১ মাৰ্চলৈ ভাওনা সমাৰোহৰ আয়োজন কৰা হৈছে। কাইলৈ সামূহিক প্ৰাৰ্থনা, ভাগৱত শোভাযাত্ৰা আৰু মঞ্চ উদ্বোধনৰ পাছত আউনীআটী বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ডং মাধুৰ্যমণ্ডিত বৰুৱাই অংকীয়া ভাওনা প্ৰদৰ্শনৰ শুভাৰম্ভ কৰিব।

০০০০০০০

ডিব্ৰুগড় চহৰৰ পুৰণি ৰে'ল ষ্টেচনৰ সমীপৰ হৰিজন কলনিত আৰক্ষীয়ে কালি অভিযান চলাই বুজন পৰিমাণৰ মাদকদ্ৰব্যসহ এজন যুৱকক আটক কৰে। ইপিনে, যোৰহাট জিলাৰ তিতাবৰ আৰক্ষীয়ে কালি সন্ধিয়া বৰএৰা গাঁৱত অভিযান চলাই ভালেখিনি মাদকদ্ৰব্য জব্দ কৰে। আৰক্ষীয়ে ঘটনা সংক্ৰান্তত টুটু আলী আৰু য়াছিন আলী নামৰ দুজন যুৱকক আটক কৰে।

ওদালগুৰি জিলাতো কালি আৰক্ষীয়ে অভিযান চলাই কেইবাটাও ঠেমাত মাদকদ্ৰব্যসহ তিনিজন যুৱকক আটক কৰে। যুৱককেইজন ওদালগুৰিৰ এস্কি দৈমাৰী, লক্ষ্যধৰ দেউৰী আৰু ভাস্কৰজ্যোতি ৰাভা বুলি আৰক্ষীয়ে জানিবলৈ দিছে।

০০০০০০০

ৰাজ্যৰ ৩৩ খন জিলাত বিদ্যালয় শিক্ষা বিভাগে আয়োজন কৰা ৫ দিনীয়া বৈদিক গণিত শিক্ষক কৰ্মশালাৰ সামৰণি পৰিছে। বিদ্যালয় শিক্ষা বিভাগে বিশ্বম এডুটেক্ চলিউচন্‌ছ প্ৰাইভেট লিমিটেডৰ সহযোগত আয়োজন কৰা এই কৰ্মশালাত ভালেসংখ্যক শিক্ষকে অংশগ্ৰহণ কৰে বুলি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে প্ৰকাশ কৰিছে। বৈদিক গণিত পদ্ধতিত প্ৰদান কৰা পাঠদানে শিক্ষাৰ্থীসকলক গণিত বিষয়টো সহজে আয়ত্ত কৰাত সহায় কৰিব বুলি আশা কৰা হৈছে। ডং পেগুৱে কয়, যে গণিত শিক্ষকসকলক পৰৱৰ্তী সময়তো এনে প্ৰশিক্ষণ প্ৰদান কৰা হ'ব আৰু পাছৰ পৰ্যায়ত ডায়েটৰ শিক্ষকসকলকো এই প্ৰশিক্ষণৰ বাবে সামৰি লোৱা হ'ব।

০০০০০০০০০

গুৱাহাটীৰ নুনমাটিৰ পৰা দীঘলীপুখুৰীৰ সমীপলৈ নিৰ্মীয়মান উৰণ সেতুৰ বাবে সৃষ্টি হোৱা অত্যধিক ধূলিয়ে জনসাধাৰণৰ স্বাস্থ্যৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰাৰ বিষয়ক লৈ ৰাজ্যিক মানৱ অধিকাৰ আয়োগে নিজাববীয়া গোচৰ ৰুজু কৰি সংশ্লিষ্ট কৰ্তৃপক্ষক নাগৰিকৰ সুৰক্ষা সুনিশ্চিত কৰিবলৈ নিৰ্দেশ জাৰি কৰিছে। উল্লেখযোগ্য যে উৰণ সেতু নিৰ্মাণৰ ফলত সৃষ্টি হোৱা ধূলি আৰু বিধবস্ত পথক লৈ আয়োগে কমেও ৭ টা অভিযোগ লাভ কৰিছিল। আয়োগে সংশ্লিষ্ট কৰ্তৃপক্ষক উৰণ সেতু নিৰ্মাণৰত অঞ্চলত দিনে তিনিবাৰকৈ পানী ছটিওৱাৰ ব্যৱস্থা কৰাৰ উপৰি উৰণ সেতুখনৰ খুটাৰ মাজত জমা কৰি ৰখা মাটিৰ দমসমূহ শীঘ্ৰে আঁতৰ কৰা আৰু সেতুখনৰ দুয়োকাষৰ বিধবস্ত পথছোৱা মেৰামতি কৰিবলৈ নিৰ্দেশ দিয়ে।

০০০০০০০

সমাপ্ত